জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২১৭/২০২২**

<u>কমনৱেলথ্ গেমছত ল'ন বলত স্বৰ্ণ জয় কৰা ভাৰতীয় মহিলা দলটোলৈ আন্তৰিক অভিনন্দন মুখ্যমন্ত্ৰীৰ</u>

# অসম কন্যা নয়নমণি শইকীয়াই দলটোত যি দক্ষতা প্ৰদৰ্শন কৰিলে তাক লৈ ভাৰতবাসীৰ লগতে অসমবাসীও গৌৰৱান্বিত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ আগষ্ট ঃ** বাৰ্মিংহামত অনুষ্ঠিত কমনৱেলথ্ গেমছত ল'ন বলত স্বৰ্ণ জয় কৰা ভাৰতীয় মহিলা দলটোলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় দলটোৰ এগৰাকী অন্যতম সদস্য অসম কন্যা নয়নমণি শইকীয়াই ল'ন বলত দেশক প্ৰতিনিধিত্ব কৰি কমনৱেলথ্ গেমছত যি দক্ষতা প্ৰদৰ্শন কৰিলে তাক লৈ ভাৰতবাসীৰ লগতে অসমবাসীও গৌৰৱান্বিত। নয়নমণি শইকীয়াৰ এই সফলতাই ৰাজ্যখনৰ নৱপ্ৰজন্মক ক্ৰীড়াৰ দিশত নিঃসন্দেহে উৎসাহিত কৰিব।

পুঃডেঃ
**২/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in